# স্পষ্টীকৰণ

আজিৰ সংখ্যাৰ (০৪-০৮-২০০৫) "অসমীয়া খবৰ' কাকতত প্ৰকাশিত "ৰাষ্ট্ৰীয় খেলুৱৈ নিত্যৰাম বড়োৰ হত্যাকাণ্ড" শীৰ্ষক বাতৰিটো দৰং আৰক্ষী অধীক্ষকৰ দৃষ্টিগোচৰ হৈছে।

এই সন্দৰ্ভত আৰক্ষী অধীক্ষকগৰাকীয়ে এক স্পষ্টীকৰণত কয় যে, বাতৰিটোত দৰং জিলা আৰক্ষীয়ে তদন্তত হেমাহি কৰাৰ যি অভিযোগ উত্থাপন কৰা হৈছে, সেয়া সঁচা তথ্যৰ ওপৰত আধাৰিত নহয়। নিত্যৰাম বড়োৰ হত্যাৰ প্ৰসংগত মঙ্গলদৈ আৰক্ষী থানাত ভাৰতীয় দণ্ডবিধি আইনৰ ৩০২ আৰু ৩৪ নং ধাৰাৰ অধীনত গোচৰ নং ৬৩২/১৫ ৰুজু কৰি ক্ষিপ্ৰতাৰে তদন্ত কৰি থকা হৈছে। এই তদন্তত চাৰিজন অভিযুক্তক চিনাক্ত কৰা হৈছে যদিও চাৰিওজনেই পলাতক অৱস্থাত থকা বাবে গ্ৰেপ্তাৰ কৰিব পৰা হোৱা নাই। পলাতক অভিযুক্ত চাৰিজনক গ্ৰেপ্তাৰ কৰাৰ বাবে তীব্ৰ প্ৰচেষ্টা চলাই থকা হৈছে। আনহাতে, এই ক্ষেত্ৰত এজন প্ৰত্যক্ষদৰ্শীৰ ভাষ্য আদালতত ১৬৪ চি আৰ পি চি অধীনত লিপিবদ্ধ কৰা হৈছে।

(signature) 8/5/2020

মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া
অসম আৰক্ষী মুখ্য কাৰ্য্যালয়,
উলুবাৰী, গুৱাহাটী

# স্পষ্টীকৰণ

আজিৰ সংখ্যাৰ (০৪-০৮-২০০৫) "অসমীয়া প্ৰতিদিন" কাকতত প্ৰকাশিত "গণেশগুৰিত প্ৰশাসনক মেনেজ কৰি গঢ়ি উঠিছে অবৈধ ট্ৰাক পাৰ্কিং" শীৰ্ষক বাতৰিটো আৰক্ষী আয়ুক্তৰ দৃষ্টিগোচৰ হৈছে।

এই সন্দৰ্ভত এক স্পষ্টীকৰণত কোৱা হয় যে, গণেশগুৰিৰ পৰা চানমাৰীলৈ থকা ৰাধাগোবিন্দ বৰুৱা পথৰ প্ৰথম অংশত কোনোধৰণৰ পাৰ্কিঙৰ অনুমতি প্ৰদান কৰা হোৱা নাই। সেই স্থানত সময়ে সময়ে সামগ্ৰী কঢ়িওৱা কিছু ট্ৰাক প্ৰত্যক্ষ কৰা হয় আৰু এই ট্ৰাকসমূহৰ পৰা অবৈধভাৱে গাড়ী ৰখোৱাৰ বাবে জৰিমনা বিহা হয় আৰু উক্ত স্থানত গাড়ী নৰখাবলৈ সকীয়নিও দিয়া হয়। এই স্থানত সুৰাপান কৰা বা জুৱাখেলা প্ৰত্যক্ষ হোৱা নাই। এই ঘটনা সন্দৰ্ভত উপ-আৰক্ষী আয়ুক্ত (পূব) তথা উপ-আৰক্ষী আয়ুক্ত (যান-বাহন শাখা)ক তদন্ত কৰি প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

[signature] 4/08/2005

মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া
অসম আৰক্ষী মুখ্য কাৰ্য্যালয়,
উলুবাৰী, গুৱাহাটী

# স্পষ্টীকৰণ

যোৱা ইং ০৩-০৮-২০৫ তাৰিখে "দৈনিক অগ্ৰদূত' কাকতত প্ৰকাশিত "মহিলাৰ বাবে অসুৰক্ষিত ওদালবাক্ৰা" শীৰ্ষক বাতৰিটো আৰক্ষী আয়ুক্তৰ দৃষ্টিগোচৰ হৈছে।

এই সন্দৰ্ভত এক স্পষ্টীকৰণত কোৱা হয় যে, আৰক্ষী থানাত কোনোধৰণৰ এজাহাৰ দাখিল কৰিলে তৎকালীভাৱে বিহিত ব্যৱস্থা গ্ৰহণ কৰা হয়। ওদালবাক্ৰা অঞ্চলত 'পাপা পাৰ্টি' তথা বীৰংগনা দল সঘনাই টহল দি থাকে আৰু কোনো ঘটনা পৰিলক্ষিত হ'লে বিহিত ব্যৱস্থা লোৱা হয়। এইখিনিতে উল্লেখ্য  যে, অবৈধ সুৰাৰ ব্যৱসায় ৰোধৰ বাবে আবকাৰী বিভাগক কৰ্তৃত্ব প্ৰদান কৰা হৈছে আৰু সেই মৰ্মে উক্ত বিভাগটোৱে কাৰ্য্য সমাপন কৰে। তথাপিও আৰক্ষী প্ৰশাসনৰ তৰফৰ পৰাও মাজে সময়ে অবৈধ সুৰাৰ ব্যৱসায় উচ্ছেদ অভিযান চলাই থকা হয় আৰু ভৱিষ্যতেও চলি থাকিব। মহিলাৰ ক্ষেত্ৰত হোৱা অপৰাধজনিত যিকোনো অভিযোগৰ বাবে গোচৰ ৰুজু কৰি তৎকালীনভাৱে বিহিত ব্যৱস্থা লোৱাৰ লগতে এই ক্ষেত্ৰত ACP (All Woman) ক নিৰীক্ষণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। বাতৰিটোৰ সংক্ৰান্তত উপ-আৰক্ষী আয়ুক্ত (পূৱ)ক অনুসন্ধান কৰি প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

৪/৮/২০১৫

মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া
অসম আৰক্ষী মুখ্য কাৰ্য্যালয়,
উলুবাৰী, গুৱাহাটী